# আজি নেইষ্টৰ উদ্যোগত স্বাস্থ্যৰক্ষা সম্পৰ্কীয় আলোচনা, ঔষধ প্ৰদৰ্শন-বিতৰণ

পশ্চিম যোৰহাটৰ প্ৰতিবেদক, ১০ জুন ঃ চি এছ আই আৰ-উত্তৰ-পূব বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যা প্ৰতিষ্ঠান (নেইষ্ট)-ৰ উদ্যোগত অঞ্চলটোৰ পকীমূৰি হাবিগাঁও চন্দ্ৰধৰ বৰুৱা নগৰৰ অনুপম ভূএগ মধ্য ইংৰাজী বিদ্যালয় প্ৰাংগণত স্বাস্থ্য ৰক্ষা সম্পৰ্কীয় আলোচনা অনুষ্ঠিত হ'ব। নেইষ্টৰ সঞ্চালক ড° জি নৰহৰি শাস্ত্ৰীৰ লগতে চিকিৎসক আৰু বিজ্ঞানীৰ দলে অংশ গ্ৰহণ কৰিবলগীয়া আলোচনাসূচীত মানৱৰ স্বাস্থ্য সুৰক্ষিত কৰি ৰখাৰ উদ্দেশ্যে নেইষ্টৰ বিজ্ঞানীসকলে গৱেষণা কৰি উলিওৱা বিভিন্ন ঔষধ প্ৰদৰ্শনৰ লগতে ব্যৱহাৰৰ বাবে ৰাইজক প্ৰদান কৰিব। ১১ জুনৰ পুৱা ৮.৩০ বজাৰ পৰা হ'বলগীয়া আলোচনা আৰু ঔষধ প্ৰদৰ্শন-বিতৰণত অঞ্চলবৰ্তী ৰাইজৰ উপস্থিতি আৰু সহযোগিতা নেইষ্টৰ তৰফৰ পৰা কামনা কৰিছে। ইফালে যোৰহাট পটীয়া গাঁৱৰ অমৰাৱতী বৃদ্ধাশ্ৰমতো চি এছ আই আৰ-উত্তৰ-পূব বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যা প্ৰতিষ্ঠান (নেইষ্ট)-ৰ উদ্যোগত স্বাস্থ্য ৰক্ষা সম্পৰ্কীয় আলোচনা অনুষ্ঠিত হ'ব। ৯.৩০ বজাৰ পৰা হ'বলগীয়া উক্ত আলোচনাতো নেইষ্টৰ সঞ্চালক ড° জি নৰহৰি শাস্ত্ৰীৰ লগতে চিকিৎসক আৰু বিজ্ঞানীৰ দলে অংশ গ্ৰহণ কৰিব। অমৰাৱতীৰ সৈতে বিভিন্ন প্ৰকাৰে জড়িতসকলক উক্ত আলোচনাত উপস্থিত থাকি সহযোগিতা আগবঢ়াবলৈ অমৰাৱতীৰ প্ৰধান সম্পাদক উপেন্দ্ৰজিৎ মহন্তই আহ্বান জনাইছে।